# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১।	নিৰ্বাচন আয়োগৰ উদ্যোগত আজি নতুন দিল্লীত প্ৰথমবাৰৰ বাবে ১ লাখৰো অধিক বুথ পৰ্যায়ৰ বিষয়াৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ।

২।	ধেমাজি জিলা আৰু ছেচন আদালতৰ আজি চাৰিটা পক্‌ছ' গোচৰৰ অভিযুক্তক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান।

৩।	গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগক ড০ ভূপেন হাজৰিকাৰ চলচ্চিত্ৰ আৰু গীতসমূহৰ সংৰক্ষণ, পুনৰুদ্ধাৰ আৰু ডিজিটেল ৰূপ প্ৰদানৰ দায়িত্ব।

৪।	সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ জামিন মঞ্জুৰ।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত আজি সন্ধিয়া ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

নিৰ্বাচন আয়োগৰ উদ্যোগত আজি নতুন দিল্লীত প্ৰথমবাৰৰ বাবে ১ লাখৰো অধিক বুথ পৰ্যায়ৰ বিষয়া, বি এল অ'ৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। ৰাজধানী মহানগৰীখনৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতান্ত্ৰিক আৰু নিৰ্বাচন ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই আই ডি ই এমত এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে নিৰ্বাচন আয়ুক্ত ডঃ বিবেক যোশীৰ সৈতে এই দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী মুকলি কৰে। দেশৰ প্ৰতিটো ভোটকেন্দ্ৰৰ কমেও এগৰাকীকৈ বি এল অ'ক পৰৱৰ্তী কেইটামান বছৰত এই প্ৰশিক্ষণ কাৰ্যসূচীৰে সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে। এই অনুসৰি অসম, বিহাৰ আৰু পশ্চিমবংগৰ ১০৯ গৰাকী বি এল অ'ই আজি  প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। কেৰালা, পুডুচেৰী আৰু তামিলনাডুৰ ১৩খন জিলাৰ নিৰ্বাচনী বিষয়া আৰু ২৪গৰাকী নিৰ্বাচনী পঞ্জীয়ন বিষয়াইও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। ১৯৫০ চনৰ জন প্ৰতিনিধিত্ব আইনৰ অধীনত বুথ পৰ্যায়ৰ বিষয়াসকলক তেওঁলোকৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে সজাগ কৰি তোলাৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

ধেমাজি জিলা আৰু ছেচন আদালতে আজি চাৰিটা পক্‌ছ' গোচৰৰ অভিযুক্তক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰিছে। ইয়াৰে প্ৰথমটো গোচৰত ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত সাক্ষীচৰণ বিশ্বাস নামৰ এজন লোকক দুগৰাকী নাবালিকাক ধৰ্ষণৰ অভিযোগত দোষী সাব্যস্ত কৰি ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে।

আনটো গোচৰত আদালতে ধেমাজি আৰক্ষী থানাৰ অন্তৰ্গত মিলন নগৰৰ তিলক শইকীয়া নামৰ এজন লোকক নাবালিকা ধৰ্ষণৰ অভিযোগত দোষী সাব্যস্ত কৰি ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে। তৃতীয়টো গোচৰত একেখন আদালতে গোগামুখ আৰক্ষী থানাৰ অন্তৰ্গত বৈজয়ন্তীপুৰৰ দীপক ৰুচাল নামৰ এজন লোকক এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগত দোষী সাব্যস্ত কৰে আৰু তেওঁক পক্‌ছ' আইনৰ অধীনত ২০ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৩০ হাজাৰ টকাৰ জৰিমণা বিহে। আদালতে আজি নাবালিকা ধৰ্ষণৰ আন এটা গোচৰৰ অভিযুক্ত চিলাপথাৰৰ ২ নম্বৰ চিলিৰ চেনাই চাংমাই নামৰ আন এজন লোকক ছবছৰৰ কাৰাদণ্ড আৰু ১৫ হাজাৰ টকাৰ জৰিমণা বিহে। পঞ্চমটো গোচৰত ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে আজি ২০১৭ চনত এগৰাকী মহিলাক হত্যাৰ চেষ্টাৰ অভিযোগত জোনাইৰ লালবাবু কৰ্মকাৰ নামৰ এজন লোকক ১০ বছৰৰ কাৰাদণ্ড আৰু ২০ হাজাৰ টকাৰ জৰিমণা বিহে বুলি চৰকাৰী অধিবক্তা অজয় ফোগলাৰ উদ্ধৃতি দি আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

০০০০০

ড০ ভূপেন হাজৰিকাৰ চলচ্চিত্ৰ আৰু গীতসমূহৰ সংৰক্ষণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ মাজত আজি এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰিত হয়। চুক্তি স্বাক্ষৰ অনুষ্ঠানত দক্ষতা, নিয়োগ আৰু উদ্যমশীলতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু সাংস্কৃতিক পৰিক্ৰমা বিমল বৰা উপস্থিত থাকে। এই চুক্তি অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগে শিল্পীগৰাকীৰ চলচ্চিত্ৰ আৰু গীতসমূহৰ সংৰক্ষণ, পুনৰুদ্ধাৰ আৰু ডিজিটেল ৰূপ প্ৰদানৰ কামৰ দায়িত্ব ল'ব। ৰাজ্য চৰকাৰৰ সাংস্কৃতি বিভাগ, ড০ ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠান আৰু অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত উন্নয়ন নিগমে এই গৱেষণাৰ কামত সহায় কৰিব। লোক সংস্কৃতি বিভাগে ড০ ভূপেন হাজৰিকাৰ অমূল্য সৃষ্টিৰাজীক ডিজিটেল ৰূপ প্ৰদান কৰি ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। এই ডিজিটেল ৰূপ শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰা হ'ব।

০০০০০

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল তথা পৰীক্ষা বাতিলৰ পাছত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কেইবাটামান কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এতিয়াৰে পৰা ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু অপ্ৰাদেশিকীকৃত বিদ্যালয়ত পৰীক্ষা পাতিবলৈ দিয়া নহ'ব। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা কেৱল চৰকাৰী বিদ্যালয়তহে পতা হ'ব। পৰীক্ষা কেন্দ্ৰ থকা বিদ্যালয়লৈ প্ৰশ্নকাকত পঠিওৱা হ'ব। ব'ৰ্ডৰ পৰা কটকটীয়া নিৰাপত্তাৰ মাজেৰে পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ নিয়া হ'ব আৰু পৰীক্ষাৰ দিনা থানাৰ পৰা পৰীক্ষা কেন্দ্ৰত প্ৰশ্নকাকত বিতৰণ কৰা হ'ব। একাদশ শ্ৰেণীৰ বাকী থকা পৰীক্ষা কেইটাৰ ক্ষেত্ৰতো এই নীতি প্ৰযোজ্য হ'ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এটা বিবৃতিযোগে এই কথা জনাইছে।

০০০০০

দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাই আজি কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম পৌৰসভাৰ কনিষ্ঠ অভিযন্তা নেকিবুৰ জামানক উৎকোচ লোৱাৰ অভিযোগত ১০ হাজাৰ টকাসহ হাতে-লোটে কৰায়ত্ত কৰে। কনিষ্ঠ অভিযন্তাগৰাকীয়ে অভিযোগকাৰীৰ দোকানৰ নৱীকৰণ কৰাৰ অনুমতি দিয়াৰ বাবদ উৎকোচ লৈছিল। তদাৰকী শাখাৰ এটা দলে কনিষ্ঠ অভিযন্তাগৰাকীৰ নিজা কাৰ্যালয়তে উৎকোচ লৈ থকা অৱস্থাত কৰায়ত্ত কৰে।

০০০০০

শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱাৰ ভাগত প্ৰচাৰৰ দিহা কৰা হৈছে। সেই অনুসৰি অহা

১ এপ্ৰিলৰ পৰা জিলাৰ ৰেহৰূপ অনুষ্ঠান প্ৰতিদিনে পুৱাৰ আঞ্চলিক বাতৰিৰ ঠিক পাছতেই অৰ্থাৎ ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰিত হ'ব। উল্লেখযোগ্য যে কোভিড কালত বিভিন্ন অনুষ্ঠানৰ সময় পৰিৱৰ্তনৰ বাবে জিলাৰ ৰেহৰূপৰ প্ৰচাৰ বন্ধ কৰা হৈছিল আৰু পৰৱৰ্তী কালত ইয়াক সন্ধিয়া ৭ বাজি ৫ মিনিটত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

০০০০০

গুৱাহাটীত কালি গ্ৰেপ্তাৰ কৰা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আজি কিছু সময়ৰ পূৰ্বে গুৱাহাটীৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জামিন মঞ্জুৰ কৰিছে। সাংবাদিকগৰাকীৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১১০/২৫ আৰু ১১১/২৫ ধাৰাত ৰুজু কৰা দুটা গোচৰৰ জামিন আবেদনৰ বিপক্ষে চৰকাৰী পক্ষই আগবঢ়োৱা যুক্তি পতিয়নযোগ্য নহয় বুলি আদালতে মত প্ৰকাশ কৰে আৰু তেওঁৰ বিৰুদ্ধে জামিন মঞ্জুৰ কৰে। অৱশ্যে জামিনৰ বাবদ ২০ হাজাৰ টকা আদায় দিব নোৱৰা হেতুকে সাংবাদিকগৰাকীয়ে আজিও পাণবজাৰ থানাতে কটাবলগীয়া হ'ব।

ইয়াৰ আগতে সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ বিৰোধিতা কৰি আজি দিনৰ ভাগত গুৱাহাটী প্ৰেছ ক্লাবত সাংবাদিকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। কেইবাগৰাকীও সম্পাদক আৰু জ্যেষ্ঠ সাংবাদিককে ধৰি সংবাদ মাধ্যমৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি এই প্ৰতিবাদী কাৰ্যসূচীত ভাগ লয়। সাংবাদিকসকলে প্ৰতিবাদী সমদল উলিয়াই পাণবজাৰ থানালৈ অগ্ৰসৰ হোৱাৰ সময়ত আৰক্ষীয়ে তেওঁলোকক বাধা দিয়ে আৰু সাংবাদিকৰ সৈতে আৰক্ষীৰ কথা কটাকটি হয়। পাছত সাংবাদিকসকলে গুৱাহাটী প্ৰেছ ক্লাবত এখন প্ৰতিবাদী সভাত মিলিত হৈ এই গ্ৰেপ্তাৰ কাৰ্যক সম্পূৰ্ণ অযুক্তিকৰ আৰু সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত প্ৰত্যক্ষ হস্তক্ষেপ বুলি অভিযোগ কৰে আৰু সাংবাদিকগৰাকীক বিনাচৰ্তে মোকলাই দিবলৈ দাবী জনায়। এই সন্দৰ্ভত গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামীয়ে এইদৰে কয় ------- -

**ভইচ-**

ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সাংবাদিকসকলেও আজি সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত প্ৰতিবাদী কাৰ্যসূচীত ভাগ লয় বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। গুৱাহাটী প্ৰেছ ক্লাব, প্ৰেছ কাউঞ্চিল অব্ ইণ্ডিয়া, ভাৰতীয় জাৰ্ণেলিষ্ট সংঘ, ভাৰতীয় প্ৰেছ ক্লাব, অসম বাৰ্তাজীৱী সংঘৰ লগতে বিভিন্ন দল-সংগঠনে এই ঘটনাৰ গৰিহণা দিছে।

০০০০০

গুণোৎসৱ, ২০২৫-ৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত চলিত বৰ্ষৰ গুণগত মানৰ ঐক্যসাজ প্ৰদান আৰু মুক্ত, নিকা তথা স্বচ্ছভাৱে মূল্যায়ন কাৰ্যসূচী অনুষ্ঠিত কৰাৰ বাবে বাছনিকৃত তিনিখন জিলাক প্ৰশংসামূলক বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হ'ব আৰু যোৱাবছৰৰ গুণোৎসৱত এ প্লাছ্ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্দগনিমূলক অনুদান আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। গোৱালপাৰা জিলাৰ ২০টা পৰিষদীয় সমষ্টিৰ লগতে কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিটো ২ এপ্ৰিলত ভোটগ্ৰহণ হ'ব। বিগত দুটা পৰিষদীয় নিৰ্বাচনত ভোটদানৰ পৰা বিৰত থকা কামৰূপৰ গাৰো জাতীয় পৰিষদে এইবাৰ ভোটদান কৰিব। গাৰো জাতীয় পৰিষদৰ উপদেষ্টা সুনীত পি মাৰাকে আজি সাংবাদিকৰ আগত এইকথা প্ৰকাশ কৰিছে। গাৰো জাতীয় পৰিষদে কেইবাটাও দাবীৰ সমৰ্থনত পূৰ্বৰ দুটা নিৰ্বাচনৰ ভোটদানৰ পৰা বিৰত আছিল। কামৰূপৰ ১৪টা ৰাভা-ৰাছং স্বায়ত্তশাসিত পৰিষদতে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি, ভাৰতী জনতা দল, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে প্ৰচাৰ চলাই আছে। বিজেপি নেতা তথা মন্ত্ৰী অশোক সিংহলে আজি পৰিষদৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত অংশগ্ৰহণ কৰে। অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ সভাপতি দুলু আহমেদে আজি নিৰ্বাচনত অৱতীৰ্ণ হোৱা দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত ভাগ লয়। পৰিষদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰই আজি জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি জিলাখনৰ পৰিষদৰ অধীনৰ অঞ্চলসমূহত ৩১ মাৰ্চৰ বিয়লি ৩ বজাৰ পৰা ২ এপ্ৰিলৰ বিয়লি ৩ বজালৈ সুৰাৰ বিপণী বন্ধ থাকিব।

ooooo

বুদ্ধদ্বীপ গগৈ আৰু পদ্মধৰ নায়কক ৰাজ্য চৰকাৰৰ অতিৰিক্ত মহাধিবক্তা হিচাপে নিযুক্তি দিয়া হৈছে। আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এক নিৰ্দেশযোগে অতিৰিক্ত মহাধিবক্তা দুগৰাকীক নিযুক্তি দিয়ে।

ooooo

অসমীয়া সাহিত্যৰ কাণ্ডাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতিদিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। গল্প, উপন্যাস, প্ৰবন্ধ, জীৱনী, সাধুকথা, ইতিহাস অধ্যয়ন, কবিতা, নাটক, গীত ৰচনাৰ লগতে সাংবাদিকতাৰ ক্ষেত্ৰতো অৱদান আগবঢ়াই যোৱা বেজবৰুৱাই ভিন্নৰুচিৰ লেখাৰে সাহিত্য ক্ষেত্ৰক সমৃদ্ধ কৰি থৈ গৈছে। কৃপাবৰ বৰুৱা ছদ্মনামত কৃপাবৰী ৰচনা সাহিত্য সৃষ্টি কৰি কেৱল সাহিত্যলৈ অৱদান আগবঢ়োৱাই নহয়, সমাজ সংস্কাৰৰ ক্ষেত্ৰতো বেজবৰুৱাই অৰিহণা আগবঢ়াই গৈছে। অসমীয়া জাতিৰ মনোবল আৰু আত্ম মৰ্যাদাবোধ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত বেজবৰুৱাৰ অৱদান অনস্বীকাৰ্য আৰু চিৰস্মৰণীয়।

**- গীত -**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ স্মৃতি দিৱস আজি অসম সাহিত্য সভাই সাহিত্য দিৱস হিচাপে পালন কৰিছে। সভাই কেন্দ্ৰীয়ভাৱে মৰিগাঁও জিলা সাহিত্য সভাৰ আতিথ্যত আৰু আঁহতগুৰি শতদল সাহিত্য সভাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আঁহতগুৰি শ্ৰীমন্ত শংকৰগুৰু কীৰ্তনঘৰত এই দিৱস অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত দিনৰ ভাগত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। সাহিত্য সভাৰ মূল অনুষ্ঠানৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত শাখা সাহিত্য সভাসমূহেও  সাহিত্য দিৱস পালন কৰিছে। ওদালগুৰি জিলা সাহিত্য সভাইও জ্ঞানমালিনী স্বৰ্ণশাখা সাহিত্য সভা, ধোপগুৰিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে সাহিত্য দিৱস পালন কৰে।

পাঠশালা সাহিত্য সভাৰ উদ্যোগতো আজি সাহিত্যৰথীগৰাকীৰ স্মৃতি দিৱস সাহিত্য দিৱস উদযাপন কৰা হয়। পুৱা পাঠশালা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ গোস্বামীয়ে পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ, সাহিত্যৰথীৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ আৰু মুকলি আলোচনা অনুষ্ঠিত হয়।

ধুবুৰী জিলাৰ বিলাসীপাৰা মহাবিদ্যালয়ত ডঃ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত সাহিত্য দিৱসৰ আয়োজন কৰা হয়। অনুষ্ঠানত কেইবাগৰাকীও আলোচকে বেজবৰুৱাৰ জীৱন সম্পৰ্কে ব্যাখ্যা কৰে।

০০০০০

ওদালগুৰিয়ে মহিলাৰ খেলো ইণ্ডিয়া অস্মিতা হকী লীগৰ ছাব জুনিয়ৰ শাখাৰ খিতাপ অৰ্জন কৰিছে। দলটোৱে আজি গুৱাহাটীৰ ভেটাপাৰাৰ মৌলানা মহম্মদ তয়াবুল্লাহ হকী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত চৰাইদেউৰ ছোৱালী দলক ১-০ গ'লত পৰাস্ত কৰে। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী তথা অসম এথলেটিক্‌চ সন্থাৰ সভাপতি জয়ন্ত মল্লবৰুৱাই খেলো ইণ্ডিয়া অস্মিতা হকী লীগৰ আজি অন্তিম দিনা বিভিন্ন শিতানত পুৰস্কাৰ বিতৰণ কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে  কয়, যে যোৱা দুটা বছৰত অনুষ্ঠিত খেল মহাৰণৰ বাবে ৰাজ্যত ক্ৰীড়াসুলভ বাতাবৰণ সৃষ্টি হৈছে আৰু ই যুৱ প্ৰজন্মৰ প্ৰতিভাৰ বিকাশত অৰিহণা যোগাইছে। অসম অচিৰেই ক্ৰীড়াৰ ক্ষেত্ৰত দেশৰ আগশাৰীৰ ৰাজ্য ৰূপে পৰিগণিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা ২৯ মাৰ্চ শনিবাৰে গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠানৰ বছা বছা অংশ সেইদিনা নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত আজি ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ২৩ বছৰীয়া ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ গৃহ ৰাজ্যত খেল প্ৰদৰ্শন উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। খেলখনৰ পৰিপ্ৰেক্ষিতত যান-বাহন আৰক্ষীয়ে গুৱাহাটী মহানগৰত কেতবোৰ পথৰ যাতায়তৰ ক্ষেত্ৰত কিছু সালসলনি কৰিছে। সেই অনুসৰি দিনৰ ২ বজাৰ পৰা নিশা ১২ বজালৈ জি এছ ৰোড, বি কে কাকতি ৰোড, এ কে আজাদ ৰোড, এ কে দেৱ ৰোড, কুল বসুমতাৰী ৰোড, ড০ ভূপেন হাজৰিকা পথ, মৰাভৰলু পথ, এফ এ ৰোড, ধুপলীয়া ৰোড, বিষ্ণুপুৰ ৰোড, বিৰুবাৰী-জি এম চি ৰোড আৰু কাহিলীপাৰা ৰোডত বাণিজ্যিক বাহন আৰু লেহেমীয়া গতিৰ বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে, বিয়লি চাৰে চাৰি বজাৰ পাছত লালগণেশ তিনিআলিৰ পৰা চাইকেল ফেক্টৰী তিনিআলিলৈ কাৰ পাছ থকা বাহনকহে চলাচলৰ অনুমতি দিয়া হৈছে।

প্ৰতিযোগিতাত একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত